**2 0 1 7**

# PHILOSOPHY

( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

*(a)* "My consciousness is the means of revealing myself as something existing." State the typical phrase used by Descartes to express the statement.

"মোৰ চেতনাই হৈছে এক অস্তিত্বশীল সত্তা হিচাপে মোক প্ৰকাশ কৰাৰ উপায়।" ডেকাৰ্টে ব্যৱহাৰ কৰা বিশেষ বাক্যাংশৰ দ্বাৰা কথাষাৰ প্ৰকাশ কৰা।

*(b)* Does Descartes believe that the existence of the self can be known with certainty?

ডেকাৰ্টে আত্মাৰ অস্তিত্ব নিশ্চিতভাৱে জানিব পাৰি বুলি ভাবিছিলনে ?

*(c)* Name the philosopher who is known as a typical dualist.

বিশেষভাৱে দ্বৈতবাদী দাৰ্শনিক হিচাপে খ্যাত দাৰ্শনিকজনৰ নাম লিখা।

*(d)* What is the essential characteristic of matter according to Descartes?

ডেকাৰ্টৰ মতে পদাৰ্থৰ অত্যাৱশ্যকীয় গুণ কি?

*(e)* Name the philosopher who made the following statement :
"Human mind at birth is essentially a *tabula rasa.*"

তলত দিয়া উক্তিষাৰ কোন দাৰ্শনিকে কৈছিল?

"জনমৰ সময়ত মানুহৰ মনটো 'ৰিক্ত পত্ৰক' (*tabula rasa)* ৰ দৰে হৈ থাকে।

*(f)* Leibniz conceived substance as a centre of force. What is the nature of this force?

লিবনিজৰ মতে দ্ৰব্য হৈছে শক্তিৰ (force) কেন্দ্ৰ। এই শক্তিৰ স্বৰূপ কি?

*(g)* What is a 'monad'?

'মনাড' (চিৎ পৰমাণু) কাক বোলে?

*(h)* What is the fundamental weakness of Spinoza's pantheistic philosophy?

স্পিনোজাৰ সৰ্বেশ্বৰবাদী দৰ্শনৰ মূল দুৰ্বলতা কি?

*(i)* What are the two attributes of substance according to Spinoza which the human mind can know?

স্পিনোজাৰ মতে মানুহে জানিব পৰা দ্ৰব্যৰ গুণ দুটা কি কি ?

*(j)* Descartes/ Spinoza/Leibniz was branded as a hideous atheist.

(Find out the correct answer)

ডেকাৰ্ট/স্পিনোজা/লিবনিজ ক এজন কঠোৰ নাস্তিক বুলি অভিহিত কৰা হৈছিল।

(শুদ্ধ উত্তৰটো বাচি উলিওৱা )

2. Give short answers to the following : 2×5=10

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

*(a)* What is pantheism?

সৰ্বেশ্বৰবাদ কি ?

*(b)* What is a 'sleeping monad'? Why is it called so?

'নিদ্ৰিত চিৎ পৰমাণু' কি ? ইয়াক কিয় 'নিদ্ৰিত' বুলি কোৱা হয় ?

*(c)* What is 'universal mathematics'? Explain its meaning with reference to Descartes.

'সাৰ্বজনীন গণিত' কি ? ডেকাৰ্টৰ প্ৰসঙ্গত ইয়াৰ অৰ্থ ব্যাখ্যা কৰা।

(d) What do you mean by the term 'Natura-Naturata'?

'Natura-Naturata' বুলিলে কি বুজা?

(e) In what sense monads are called 'windowless'? Explain.

চিৎ পৰমাণুসমূহক 'খিৰিকীবিহীন' বুলি কিয় কোৱা হয়? ব্যাখ্যা কৰা।

3. Answer any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) State the four rules laid down by Descartes as part of his method of philosophizing with a brief explanation. 4+1=5

দাৰ্শনিক পদ্ধতিৰ অংশ হিচাপে ডেকাৰ্টে আগবঢ়োৱা নিয়ম চাৰিটা চমু ব্যাখ্যাৰ সৈতে উল্লেখ কৰা।

(b) What is the nature of Descartes' doubt? Distinguish it from psychological doubt. 1+4=5

ডেকাৰ্টে তেওঁৰ দাৰ্শনিক পদ্ধতিৰ ব্যাখ্যাত উল্লেখ কৰা 'সন্দেহ'ৰ প্ৰকৃতি কি? ডেকাৰ্টীয় 'সন্দেহ' আৰু মনস্তাত্ত্বিক 'সন্দেহ'ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(c) What are the two independent substances according to Descartes? Why there cannot be a real relation between the two? What are the two analogies used by Descartes to explain the relation between them? 1+2+2=5

ডেকাৰ্টৰ মতে দুটা স্বতন্ত্ৰ দ্ৰব্যৰ নাম উল্লেখ কৰা। এই দুটাৰ মাজত কোনো প্ৰকৃত সম্পৰ্ক কিয় হ'ব নোৱাৰে? এই দুটা দ্ৰব্যৰ মাজত থকা সম্পৰ্ক ব্যাখ্যা কৰিবৰ বাবে ডেকাৰ্টে উল্লেখ কৰা উপমা দুটা কি কি?

(d) Explain Spinoza's statement that 'every determination is a negation'? 5

'Every determination is a negation' (নিৰ্দ্ধাৰিতকৰণৰ অৰ্থ হ'ল অস্বীকাৰকৰণ') স্পিনোজাই ব্যক্ত কৰা এই উক্তিটো ব্যাখ্যা কৰা।

(e) What is the meaning of *causa sui* as applied to God in Spinoza's philosophical system? Why did Spinoza denied the concept of a 'creator God'? 3+2=5

স্পিনোজাৰ দৰ্শনত ঈশ্বৰৰ ক্ষেত্ৰত প্ৰয়োগ কৰা *causa sui* শব্দৰ অৰ্থ কি? এজন 'সৃষ্টিকৰ্তা' হিচাপে ঈশ্বৰৰ অস্তিত্বৰ ধাৰণা স্পিনোজাই কিয় অস্বীকাৰ কৰিছে?

(f) Write a short note on the different categories of monad as laid down by Leibniz. Why is God called the 'actus purus'? 3+2=5

লিবনিজে উল্লেখ কৰা চিৎ পৰমাণুসমূহৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে চমু টোকা লিখা। ঈশ্বৰক কিয় লিবনিজে 'actus purus' বুলি অভিহিত কৰিছে?

4. Explain critically *cogito ergo sum* as found in Descartes' philosophy. 10

ডেকাৰ্টৰ দৰ্শনত পোৱা *cogito ergo sum* সম্পৰ্কে এক সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

*Or / নাইবা*

What is *cogito ergo sum*? Explain the importance of the cogito in Cartesian philosophy.

*Cogito ergo sum* কি? ডেকাৰ্টৰ দৰ্শনত cogito ৰ গুৰুত্ব ব্যাখ্যা কৰা।

5. Explain Descartes' method of philosophizing. Do you think it to be perfect method of philosophy? 6+4=10

ডেকাৰ্টে আগবঢ়োৱা দাৰ্শনিক অনুসন্ধানৰ পদ্ধতি সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা। এই পদ্ধতিক দৰ্শনৰ বাবে এক সম্পূৰ্ণ পদ্ধতি বুলি ভাবানে?

*Or / নাইবা*

Give a critical account of Descartes' views on the relation between mind and body. 10

মন (আত্মা) আৰু শৰীৰ সম্পৰ্কে ডেকাৰ্টে আগবঢ়োৱা ধাৰণাৰ এক সমালোচনাত্মক বৰ্ণনা আগবঢ়োৱা।

6. Explain the doctrine of attributes and modes after Spinoza. Do you think he was successful in explaining the world? 10

স্পিনোজাৰ গুণ আৰু ৰূপ (attributes and modes) সম্পৰ্কীয় তত্ত্বটোৰ এক ব্যাখ্যা আগবঢ়োৱা। জগতখন ব্যাখ্যা কৰাৰ ক্ষেত্ৰত স্পিনোজা সফল হৈছে বুলি ভাবানে?

*Or / নাইবা*

Give a brief account of monistic philosophy of Spinoza. Explain why Spinoza's philosophy is said to be pantheistic?

স্পিনোজাৰ একত্ববাদী দৰ্শনৰ এক চমু বৰ্ণনা আগবঢ়োৱা। স্পিনোজাৰ দৰ্শনক কিয় সৰ্বেশ্বৰবাদী বুলি কোৱা হয়? ব্যাখ্যা কৰা।

7. Explain the doctrine of pre-established harmony of Leibniz. 10

লিবনিজে আগবঢ়োৱা জগতৰ পূৰ্ব-সংস্থাপিত শৃঙ্খলা সম্পৰ্কীয় মতবাদটো ব্যাখ্যা কৰা।

*Or / নাইবা*

Critically explain Leibniz's theory of monads.

লিবনিজে আগবঢ়োৱা চিৎ পৰমাণু সম্পৰ্কীয় তত্ত্বটোৰ এক সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

★★★